ISSN: 2348-9626 Vol.:X. 2020

# প্ৰজ্ঞানজ্যোতি


# PRAGYANJYOTI

*A Peer Reviwed Annual Bilingual Research Journal of Krishna Kanta Handiqui State Open University Study Centre, Cinnamara College, Jorhat, Assam*

***Jointly edited by***

**Tarun Saikia**

**Simanta Borah**



ISSN : 2348-9626 vol.:X, 2020

**Pragyanjyoti:** Annual Bilingual Journal of Krishna Kanta Handiqui State Open University Cinnamara College Study Centre, Cinnamara College, Jorhat, edited by Tarun Saikia, Assistant Professor, Department of Education, Simanta Borah, Asst. Prof., Deptt. of Philosophy, Cinnamara College. Published by Cinnamara College Publication, Kavyakshetra, Cinnamara, Jorhat-8 (Assam)

**Price: 250/-**

| | |
|---|---|
| **Advisory Board:** | Prof. Ananda Saikia, Founder Principal, Cinnamara College<br>Dr. Harendra Nath Gogoi, Ex-Prof., Assam Agricultural University<br>Dr. Girish Baruah, Ex-Prof., D.K.D. College, Dergaon<br>Dr. K. Mavali Rajan, Deptt. Of A.I.H.C. &A, Visva-Bharati, Shantiniketan<br>Dr. Rupam Saikia, Director, CDC, Dibrugarh University<br>Dr. Anjan Saikia, Principal, Cinnamara College<br>Prof. Amzad Hussain, Bonamali College, Pankura, West Bengal |
| **Peer Reviewers:** | Porf. (Dr.) Narikimelli Pramod Kumar, Deptt. of Edu., Mizoram University<br>Dr. Talluriji Mouni Survana Raju, Associate Professor, Sikkim University<br>Dr. Suresh Kumar, Assistant Director, ICHR, New Delhi<br>Dr. Lokesh Boro, Associate Professor, DCB Girls' College, Jorhat |
| **Joint Editors:** | Tarun Saikia, Asstt. Prof., Deptt. of Education, Cinnamara College<br>Simanta Borah, Asstt. Prof., Deptt. of Philosophy, Cinnamara College |
| **Associate Editors:** | Ranjan Chitia, Asst. Prof., Deptt. of English, Cinnamara College<br>Bina Borah, Asstt. Prof., Deptt. of Education, Cinnamara College |
| **Members:** | Dr. Dwipen Nath, Asst. Prof., Deptt. of Assamese, Cinnamara College<br>Mr. Paresh Ch. Borah, Asst. Prof., Deptt. of Geography, Cinnamara College<br>Mrs. Dipsikha Dutta, Asstt. Prof., Deptt. of Sociology, Cinnamara College<br>Mr. Padmeswar Katoni, Asstt. Prof., Deptt. of Pol. Sc., Cinnamara College<br>Mrs Ashima BorAhom, Deptt. of Geography,Cinnamara College<br>Dr. Plabita Bordoloi Patgiri, Asstt. Prof., Deptt. of Pol. Sc., Cinnamara College<br>Dr. Tutumoni Bhuyan, Asstt. Prof., Cinnamara College<br>Bornali Bhuyan, Asstt. Prof., Deptt. of Education, Cinnamara College<br>Mr. Siddhartha Swarup Dutta, Librarian, Cinnamara College,<br>Mr. Laba Kr. Dutta, Ex Student, Cinnamara College |

| | |
|---|---|
| **Name of Publisher:** | Cinnamara College Publication |
| **Nature of Publication:** | Once in a year |
| **Financer of Publisher:** | Cinnamara College Publication |
| **Place of Publication:** | Cinnamara College, Jorhat-8, Assam |

| | |
|---|---|
| **Copyright Reserve to:** | Cinnamara College Publication |

| | | |
|---|---|---|
| ■ Gandhis Views on Women Empowerment | **Manash Protim Neog** | 87 |
| ■ Women Empowerment Through Self Helf Groups | **Tarulata Bhuyan** | 89 |
| ■ Quality in Higher Education: Causes and Remedies | **Geetashree Borah** | 94 |
| ■ Women Characters in T.S. Eliot's *Wasteland*: A Brief Analysis | **Anwesha Gogoi** | 99 |
| ■ Empowerment of Economically Weaker Section(EWS): Problem and Prospects | **Akashi Boruah** | 106 |
| ■ বয়নশিল্প আৰু পশুপালনত ভৈয়ামৰ তিৱা নাৰীৰ স্বাৱলম্বীতা - এক বিশ্লেষণাত্মক অধ্যয়ন | অৰ্চনা কোঁৱৰ | 111 |
| ■ অসমীয়া শিশুৰ ওমলা গীতি কবিতা আৰু পৰিৱেশ্য কলা ঃ এটি অধ্যয়ন | দীপ্তি বৰুৱা | 114 |
| ■ নাগালেণ্ডৰ মোকক্‌চাং জিলাৰ পৰ্যটনস্থলী ঃ এক চমু অৱলোকন | তৰুণ লইং | 126 |
| ■ ফণী শৰ্মাৰ জীৱন আৰু সৃষ্টিৰাজী | জিণ্টি দাস | 132 |
| ■ ৰূপকোঁৱৰ'ৰ 'বিশ্বশিল্পী' আদৰ্শগত কাৰণত অনুকৰণীয় | কুশল কুমাৰ দাস | 140 |
| ■ অৰ্থনৈতিক স্বাৱলম্বীতাত অসমৰ পৰম্পৰাগত জনগোষ্ঠীয় খাদ্য ঃ এক সমীক্ষাত্মক অধ্যয়ন | লক্ষীপ্ৰসাদ দিহিঙ্গীয়া | 144 |
| ■ 'নিষিদ্ধ' উপন্যাসত সমকামিতাৰ প্ৰতিফলন | লক্ষ্যজিৎ হাজৰিকা | 149 |
| ■ প্ৰত্যক্ষ শিক্ষা বনাম ই-শিক্ষা ছাত্ৰ-ছাত্ৰীৰ বিকাশ- এক পৰ্যালোচনা | পাপৰি বৰা | 155 |
| ■ অসমীয়া সাহিত্যত যুৱ প্ৰসংগ | চয়নিকা ৰাজখোৱা | 161 |

 ISSN : 2348-9626 vol.:X, 2020

# নাগালেণ্ডৰ মোকক্‌চাং জিলাৰ পৰ্যটনস্থলী ঃ এক চমু অৱলোকন

তৰুণ লইং
সহকাৰী অধ্যাপক, অসমীয়া বিভাগ,
যোৰহাট মহাবিদ্যালয়

ভাৰতবৰ্ষৰ উত্তৰ-পূব প্ৰান্তৰ এখন ৰাজ্য হৈছে নাগালেণ্ড। বৃটিছ ৰাজত্ব কালছোৱাত অসমৰ অন্তৰ্গত নাগা পাহাৰ জিলাই ১৯৬৩ চনৰ পহিলা ডিচেম্বৰত ভাৰতবৰ্ষৰ ১৬ সংখ্যক ৰাজ্য হিচাপে স্বীকৃতি লাভ কৰে। প্ৰায় চাৰে ষোল্ল হাজাৰ (মুঠ ১৬,৫৭৯) বৰ্গকিলোমিটাৰে পৰিবেষ্টিত নাগালেণ্ডৰ উত্তৰ আৰু পশ্চিম দিশত অসম, পূবে ম্যানমাৰ আৰু অৰুণাচল প্ৰদেশ আৰু দক্ষিণে মণিপুৰ ৰাজ্যই আগুৰি আছে। কিফিৰে জিলাত থকা সৰ্বোচ্চ শৃঙ্গ [illegible](Saramati, 3841 meter) আৰু কহিমা জিলাত অৱস্থিত জুক' ভেলী আৰু খনমা গাঁও অন্যতম মনোমোহা পৰ্যটনস্থলী। তদুপৰি প্ৰতিবছৰে 'কিছামা হেৰিটেজ ভিলেজ'ত আয়োজন কৰা 'হৰ্ণবিল ফেষ্টিভেল'ত দেশ-বিদেশৰ পৰ্যটকৰ আগমন হোৱা দেখা যায়। উল্লেখযোগ্য যে ধনশিৰি, দৈয়াং, দিখু, মিলাক, টিজু, জুংকি আদি কেইবাখনো নদীয়ে নাগালেণ্ডৰ প্ৰাকৃতিক সৌন্দৰ্যক সোণত সুৱগা চৰা কৰি তুলিছে। নাগালেণ্ড মূলতঃ পাহাৰ, উপত্যকা, সেউজীয়া গছ-গছনিৰে পৰিপূৰ্ণ। অতি সুন্দৰ জলবায়ুৰে পৰিপূৰ্ণ নাগালেণ্ডৰ উষ্ণতা চাৰি ডিগ্ৰী চেলছিয়াছৰ পৰা ৩১ ডিগ্ৰী চেলছিয়াছৰ ভিতৰত থাকে। নাগালেণ্ড ভ্ৰমণ কৰাৰ উপযুক্ত সময় হৈছে অক্টোবৰ মাহৰ পৰা মে' মাহৰ ভিতৰত। তলত মোকক্‌চাং জিলাৰ পৰ্যটনৰ স্থলীসমূহ চমুকৈ আলোচনা কৰা হ'ল ---

**পদ্ধতি ঃ** প্ৰধানকৈ প্ৰবন্ধটিত বিশ্লেষণাত্মক পদ্ধতি প্ৰয়োগ কৰা হৈছে। মূলতঃ প্ৰাথমিক সমলৰ ওপৰত ভিত্তি কৰি প্ৰবন্ধটো প্ৰস্তুত কৰা হৈছে। এই প্ৰবন্ধটোৰ বাবে ক্ষেত্ৰ বিত্তিত বিভিন্ন জনৰ পৰা আহৰণ কৰা মৌখিক সমলক আধাৰ হিচাপে লোৱা হৈছে।

**মোকক্‌চাং নগৰ ঃ (Mokokchung Town)**

সাগৰপৃষ্ঠৰ পৰা প্ৰায় ১৬৬০ মিটাৰ উচ্চতাত থকা মোকক্‌চাং নগৰে দেশ-বিদেশৰ সকলো পৰ্যটককে আকৰ্ষণ কৰে। ওখ-চাপৰ, খলা-বমা বাম্নিৰ উপৰি ধুৰ্বলী-কুঁৰলী পৰিবেশে এক বিশেষ সৌন্দৰ্য্যৰ স্বাক্ষৰ বহন কৰে। অতি সুন্দৰ জলবায়ু তথা উষ্ণতাই সকলোকে মোকক্‌চাঙত এৰাতি হ'লেও কটাই যাবলৈ আহ্বান জনায়। নগাসকলৰ ভিতৰতে সবাতোকৈ আগবঢ়া আও জনজাতিপ্ৰধান মোকক্‌চাঙত শিক্ষাৰো এক পৰিবেশ বিৰাজমান। মোকক্‌চাং নগৰৰ মাজমজিয়াত 'হুইচ্‌পাৰিং উইণ্ডচ' নামৰ হোটেলৰ লগতে থকা 'চাংটেমলা জুট' (Sungtemla Tzuto) এটা ঐতিহাসিক পুখুৰী। চাংটেমেলা পুখুৰীৰ পৰাই মিলাক নদীৰ উৎপত্তি হৈছে আৰু যাক অসমত জাঁজী নৈ নামেৰে জনাজাত। এই 'চাংটেমেলা জুট'ৰ পৰা সূৰ্যোদয় অতি সুন্দৰ ৰূপত চাব পৰা যায়। উল্লেখযোগ্য যে মোকক্‌চাং নগৰৰ পূৰ্বৰ নাম আছিল চাংটেমল কিমং।

**মপুংচুকেট (Mopungchuket) ঃ**

মোকক্‌চাং নগৰৰ পৰা প্ৰায় চাৰে যোল্ল কিলোমিটাৰ পূব দিশত মপুংচুকেট অৱস্থিত। মপুংচুকেটৰ Sunkotenem Park ৰ লগতে থকা এক সৰু জলাশয়ে সকলোকে আকৰ্ষণ কৰে। উক্ত পাৰ্কখনত সংৰক্ষিত কাঠত কটা ভাস্কৰ্যহি সকলোকে বিস্ময় মনাই তোলে। কিয়নো ডাঙৰ ডাঙৰ গছৰ খুন্দাত অতি মসৃণভাৱে মানুহ, চৰাই, প্ৰকৃতি আদিৰ ছবি ইমান সুক্ষ্মভাৱে কটা আছে যাক দেখিলে শিল্পীজনাৰ কাৰুকাৰ্য্যক চেলুট নমৰাকৈ থাকিব নোৱাৰি।

**চুচুয়িম্লাং গাঁও (Chuchuyimlang) ঃ**

মোকক্‌চাং নগৰৰ পৰা পূবে আমগুৰিলৈ যোৱা পথত প্ৰায় ২৫ কিলোমিটাৰ নিলগত চুচুয়িম্লাং গাওঁখন অৱস্থিত। উক্ত গাঁওখনক আও নগাসকলৰ উৎসৱ প্ৰধান গাঁও বুলি জনা যায়। অতি সুন্দৰ প্ৰাকৃতিক পৰিৱেশেৰে পৰিবেষ্টিত গাওঁখনত প্ৰতি বছৰে মে' মাহৰ এক তাৰিখৰ পৰা তিনি তাৰিখৰ ভিতৰত অতি উলহ-মালহেৰে ম'ৱাচু মং (Moastu Mong) উৎসৱ পালন কৰে। সাধাৰণতে পথাৰত শস্য সিঁচি শেষ হোৱাৰ পিছতেই এই উৎসৱ তেওঁলোকে আৰম্ভ কৰে। পৰম্পৰাগত নীতি অনুসৰি তেওঁলোকে ঘৰতে চাউলৰ পৰা প্ৰস্তুত কৰা পানীয় উৎসৱত ব্যৱহাৰ কৰে। উৎসৱত সকলোৱে মিলি অতি তেজস্বীতাৰে গীত-নৃত্য কৰে। গাঁৱৰ বয়োজ্যেষ্ঠসকলে নিজৰ গাঁৱৰ প্ৰশস্তিসূচক কিছুমান গীতেৰে সেইদিনা নৱ-প্ৰজন্মক অনুপ্ৰেৰণা যোগায়। বিশেষকৈ মুৰ চিকাৰ প্ৰথাৰ (Head Hunting) লগত পৰিচিত দিনৰ পৰা গাঁৱৰ শত্ৰুৰ পৰা ৰক্ষা কৰা আদি অতীতৰ ৰীতি-নীতিৰে সংপৃক্ত এক গৌৰৱময় ইতিহাস সুঁৱৰি উৎসৱ উপভোগ কৰা হয়।

**উংমা গাঁও (Ungma) ঃ**

মোকক্‌চাং নগৰৰ পৰা প্ৰায় পাঁচ কিলোমিটাৰ নিলগৰ উংমা হৈছে আও নাগাসকলৰ আটাইতকৈ প্ৰাচীনতম তথা নাগালেণ্ডৰ দ্বিতীয় বৃহত্তম গাঁও। গাঁওখনত থকা এটা অতি ওখ খুঁটাই (Piller) গাঁওখনৰ ইতিহাসৰ স্বাক্ষৰ বহন কৰে। গাঁওখনত মুৰং ঘৰ, এম্পিথিয়েটাৰ, কাঠেৰে নিৰ্মিত বাদ্য (Drum) সুন্দৰকৈ সজোৱা আছে। এম্পিথিয়েটাৰৰ

 ISSN : 2348-9626 vol.:X, 2020

কাষতে এজোপা প্ৰকাণ্ড গছৰ মুঢ়া শিপাৰে সৈতে গাঁওবাসীয়ে সংৰক্ষণ কৰি ৰাখিছে। গাঁওখনৰ কাষতেই এখন সুন্দৰ সেউজ পাৰ্ক (Greenery Park) আছে।

**লংছা (Longsa) ঃ**

মোককচাং নগৰৰ পৰা প্ৰায় ১৮ কিলোমিটাৰ দক্ষিণ দিশত লংছা গাঁও অবস্থিত। লংছা হৈছে দুটা শব্দৰ সমষ্টি - 'লং' মানে হ'ল শিল আৰু 'আছা' মানে হ'ল শিলমঞ্চ (The Platform of Stone) লংছাক আওসকলৰ দুৰ্গ বুলিও জনা যায়। চুংগ্ৰেমুং (Tsungremmung) নামৰ এটা উৎসৱ লংছাত প্ৰতিবছৰে 'লংছা ভিলেজ কাউন্সিলে' নাগালেণ্ড চৰকাৰৰ পৰ্যটন বিভাগৰ পৃষ্ঠপোষকতাত পালন কৰে। চুংগ্ৰেমুং উৎসৱক লংচামুং বুলিও কোৱা হয়। আচলতে আও নাগাসকলে পূৰ্বপুৰুষৰ সত্তাক সন্মান জনাবৰ বাবে ঐক্য আৰু সম্প্ৰীতি ৰক্ষাৰ বাবে চংতাম আৰু চুমি নাগাসকলক আমন্ত্ৰণ কৰি একেলগে উৎসৱত নৃত্য-গীত কৰে। প্ৰতিবছৰে আগষ্ট মাহৰ এক তাৰিখৰ পৰা তিনি তাৰিখলৈকে হোৱা উৎসৱৰ দিনকেইটাক ক্ৰমে চুংপেনমং, য়াটিমং আৰু তৃতীয় দিনা আয়েন লেন্‌পি নামেৰে জনা যায়। উৎসৱৰ তৃতীয় দিনা সকলোৱে মিলি গাঁৱৰ বাট-পথ চাফা কৰে আৰু সামাজিক-সাংস্কৃতিক বান্ধোন কটকটীয়া কৰিবৰ বাবে বাৰ্ত্তালাপ কৰে। চুংগ্ৰেমুং উৎসৱত কৃষিকাৰ্য্যৰ উত্তৰোত্তৰ কামনা কৰি সকলোৱে মিলি লেদেখাজনৰ ওচৰত প্ৰাৰ্থনা জনায়। ২০০৬ চনত নাগালেণ্ড চৰকাৰে লংচাক পৰ্যটন গাঁও হিচাপে ঘোষণা কৰে।

**লংখুম (Longkhum) ঃ**

মোককচাং নগৰৰ পৰা প্ৰায় ১৮ কিলোমিটাৰ দূৰত্বত দক্ষিণ-পশ্চিম দিশে থকা আও বসতিপ্ৰধান এখন উল্লেখযোগ্য গাঁও হৈছে লংখুম। সাগৰপৃষ্ঠৰ পৰা ১৮৪৬ মিটাৰ উচ্চতাত থকা লংখুম গাঁৱক নাগালেণ্ডৰ শাক-পাচলিৰ ৰাজধানী (Vegetable Capital) বুলি জনা যায়। ২০০৪ চনত নাগালেণ্ডৰ উদ্যান শস্য বিভাগে উক্ত নামেৰে নামাংকিত কৰিছিল। বিলাহী, জলকীয়া, কবি, মিঠা আলু আদিৰে পৰিপূৰ্ণ লংখুম গাঁৱৰ শাক-পাচলি কোহিমা, ডিমাপুৰৰ উপৰি অসমলৈকো ৰপ্তানি কৰে। গাঁওখনত থকা সৰ্বোচ্চ ওখ টিলাটোত এটি 'টুৰিষ্ট ল'জ' নাগালেণ্ড চৰকাৰে ২০০৬ চনত নিৰ্মাণ কৰে। উক্ত 'টুৰিষ্ট ল'জ'ৰ কাষতে মিনাৰৰ দৰে ওখ স্মৃতিস্তম্ভ নিৰ্মাণ কৰা আছে। মিনাৰ আৰু 'গষ্ট হাউচ'ৰ ওপৰৰ পৰা মোককচাং নগৰ, টুৱেনচাং, চাংকি আদি ঠাই সুন্দৰকৈ দেখা পায়। মিনাৰটো আও ষ্টুডেণ্টচ ইউনিয়নৰ প্ৰতিষ্ঠাকালীন সময়ৰ পৰা সবিশেষ তথ্য দাঙি ধৰা আছে। ১৯২৯ চনত স্থাপিত হোৱা 'আও ষ্টুডেণ্ট কনফাৰেন্স'ৰ সোণালী জয়ন্তী বৰ্ষ উপলক্ষে ১৯৭৯ চনত নিৰ্মাণ কৰা হয়।

লংলংবা (Longlangba) নামৰ শিলেৰে পৰিবেষ্টিত এটা শিলাময় ৰাষ্টা (যাক তেওঁলোকে শিলৰ দলং বুলি কয়) গাঁওখনৰ অন্যতম আকৰ্ষণৰ কেন্দ্ৰ। উক্ত শিলৰ দলংখন তেওঁলোকে শৌৰ্য্য-বীৰ্যৰ প্ৰতীক আছিল বুলি বিশ্বাস কৰে। লোঠাসকলে এবাৰ গাঁওখন আক্ৰমণ কৰিবলৈ আহি লংলংবা নামৰ ঠাইৰ পৰা ঘূৰি যায় বুলি আওসকলৰ কিংবদন্তীত আছে। লংলংবাৰ পৰা অলপ দূৰ আগুৱাই গ'লে ঈগল চৰাইৰ তিনিটা শিলৰ সুৰঙ্গত সজা বাঁহ সুন্দৰকৈ দেখিবলৈ পোৱা যায়। মৃত আত্মাবোৰ পুনৰ আহি উক্ত ঈগল চৰাইৰ বাঁহত জিৰণি লয় বুলি এটা সময়ত গাঁওবাসীয়ে

বিশ্বাস কৰিছিল। গাঁওখনৰ লগতে পকীৰে নিৰ্মিত 'নাগা নেশ্যনেলিষ্ট কাউন্সিল'ৰ প্ৰাক্তন উপ-সভাপতিৰ আৱক্ষ মূৰ্ত্তিও সুন্দৰ ৰূপত খোদিত কৰা আছে।

**জুলা (দিখু) গ্ৰীণ অঞ্চল : (Tzula/Dikhu Green Zone)**

মোককচাং জিলাৰ অন্তৰ্গত অতি সেউজ অঞ্চল এটাৰ নাম হৈছে জুলা (দিখু) সেউজ অঞ্চল। উক্ত অঞ্চলটিত মাছ মৰা, চিকাৰ কৰা, নদীত গৈ গা-ধোৱা আদিৰ নিষেধাজ্ঞা মানি চলা হয়। মোককচাং নগৰৰ পৰা টুৱেনচাঙ যোৱা ৰাস্তাৰ কাষত উক্ত অঞ্চলটি পোৱা যায়। সেউজীয়া ঘাঁহনি, মূল্যবান বিভিন্ন প্ৰকাৰৰ পশু-পক্ষী, চৰাই আদিৰে অঞ্চলটি পৰিবেষ্টিত হোৱা বাবে পৰ্যটকে এক প্ৰশান্তিৰ বতৰা লাভ কৰে।

**সামৰণি :**

ওপৰৰ আলোচনাৰ পৰা দেখা গ'ল যে প্ৰচুৰ সমলেৰে পৰিপূৰ্ণ মোককচাং জিলাৰ মনোমোহা পৰ্যটন স্থলীসমূহ পৰ্যটকৰ বাবে অতি আকৰ্ষণৰ ঠাই। বিধ্বস্ত বাট-পথ, উগ্ৰপন্থীৰ সমস্যা, যোগাযোগ ব্যৱস্থাৰ অভাৱ, গাঁৱৰ বাসিন্দাসকলৰ পৰ্যটন সম্পৰ্কীয় সঠিক জ্ঞানৰ অভাৱ আদিৰ বাবে উপযুক্ত পৰ্যটন স্থলীসমূহ আজিও অৱহেলিত হৈ পৰি আছে। মোককচাঙলৈকে যদি ৰেলৰ সংযোগ কৰে নাইবা বাট-পথ সুচল তেন্তে নিঃসন্দেহে মোককচাং জিলাৰ পৰ্যটন স্থলীসমূহে উজ্জীৱিত হৈ উঠিব। এইক্ষেত্ৰত চৰকাৰ, স্বেচ্ছাসেৱী সংগঠন, সচেতন ব্যক্তি সকলোৰে কৰণীয় আছে।

**প্ৰসংগ পুথি/তথ্যদাতাৰ তালিকা :**

1. The directorate of Tourism, Kohima, Nagaland : *NAGALAND Call of the Great Hornbill.* LBS Publications, Guwahati, 2015
2. Department of Art and Culture, Govt. of Nagaland : *Where warriors waltz Festivals of Nagaland,* LBS Publications, Guwahati, First Published 2008
3. আজুং আও, লংখুম গাঁও, বয়স ৩৫ বছৰ
4. আকাম আও, লংছা গাঁও, বয়স, ৪০ বছৰ

***